# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

**-----------------------**

মেক ইন ইণ্ডিয়াৰ জৰিয়তে ভাৰত নিৰ্মাণখণ্ডত এটা শক্তিকেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী  বাতৰ ১১৪ সংখ্যক খণ্ডত মন্তব্য কৰে। ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ মেক ইন ইণ্ডিয়াৰ জৰিয়তে লাভান্বিত হৈছে  বুলি প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, ইয়াৰ ফলত সমাজৰ সকলো শ্ৰেণীৰ লোকে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰাৰো সুযোগ লাভ কৰিছে।

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনৰ তৃতীয়টো কাৰ্যকালৰ চতুৰ্থটো মন কী বাতত মেক ইন ইণ্ডিয়া অভিযানে দেশৰ ৰপ্তানি বাণিজ্য বৃদ্ধি কৰাৰ লগতে প্ৰত্যক্ষ বিদেশী বিনিয়োগকো আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। চৰকাৰে উৎপাদনৰ গুণগত মান উন্নত কৰাৰ লগতে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে ভোকেল ফৰ লোকেল নীতিতো গুৰুত্ব আৰোপ কৰিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।  প্ৰধানমন্ত্ৰীয়ে অনাগত উৎসৱৰ বতৰত জনসাধাৰণক স্থানীয়ভাৱে তৈয়াৰী সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনায়। চাকৰি তথা কৰ্মসংস্থাপনৰ পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি তেওঁ কয় যে, নতুনকৈ উন্মোচিত সেৱা আৰু উৎপাদন খণ্ডসমূহৰ প্ৰয়োজন অনুসৰিও চাকৰিৰ প্ৰকাৰ সলনি হৈছে। ভাৰতত উদ্ভাৱিত সামগ্ৰী তথা ধাৰণাৰ আধাৰত সৃজনীশীলতা বিকাশৰ লক্ষ্যৰে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২৫ টা প্ৰত্যাহ্বানমূলক কাম আৰম্ভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে  সৃষ্টিশীল লোকসকলক ইয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্বচ্ছ ভাৰত অভিযানৰ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ২ অক্টোবৰত এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হ'ব। তেওঁ কয় যে, বৰ্তমান দেশবাসী আৱৰ্জনা হ্ৰাস, পুনৰ ব্যৱহাৰ আৰু নৱীকৰণৰ বিষয়ে নিজে সচেতন হোৱাৰ লগতে বিশ্বতো এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিছে। এই অভিযানৰ ধাৰাবাহিকতা ৰক্ষা কৰি স্বচ্ছ ভাৰত মিছনক এটা গণ আন্দোলনলৈ ৰূপান্তৰ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক  আহ্বান জনায়। স্বচ্ছতাৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা কৰি যোৱা মহাত্মা গান্ধীলৈ তেওঁ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে মাৰ নামত এজুপি গছ অৰ্থাৎ এক পেৰ মা কে নাম অভিযানত অংশ গ্ৰহণ কৰিবলৈ সকলোকে উৎসাহিত কৰে। এই গছপুলি ৰোপণ কাৰ্যসূচীত সমগ্ৰ দেশৰ কেইবাহাজাৰ বিদ্যালয়ৰ সক্ৰিয়ভাৱে অংশগ্ৰহণক প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। পানী সংৰক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বৰষুণৰ বতৰত সংগ্ৰহ কৰা পানীয়ে খৰাঙৰ সময়ত দেশবাসীক প্ৰভূত পৰিমাণে সহায় কৰে।

বিকাশ ভি, বিৰাছট ভি মন্ত্ৰৰ উল্লেখেৰে প্ৰধানমন্ত্ৰীয়ে ভাৰত  চৰকাৰে শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ঘুৰাই অনা বুলি  ব্যৱস্থা কৰা প্ৰায় ৩০০ টা প্ৰাচীন কলা সামগ্ৰীৰ বিষয়ে উল্লেখ কৰে।

এইসমূহৰ ভিতৰত পোৰামাটি, পাথৰ, হাতীদাঁত, কাঠ, তাম আৰু ব্ৰঞ্জেৰে নিৰ্মিত কলা সামগ্ৰী আছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

মাতৃভাষাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে  কয় যে, আমাৰ দেশত ২০ হাজাৰ ভাষা আৰু উপভাষা আছে। তেওঁ বিভিন্ন ভাষা, বিশেষকৈ চাওতালী ভাষা সংৰক্ষণৰ বাবে লোৱা প্ৰচেষ্টাসমূহৰ উচ্চ প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ ১০ বছৰ পূৰ্তিৰ প্ৰাকক্ষণত আকাশবাণী, দূৰদৰ্শন আৰু প্ৰসাৰ ভাৰতীৰ সৈতে জড়িত সকলোৰে প্ৰশংসা কৰি কয় যে, তেওঁলোকৰ অক্লান্ত পৰিশ্ৰমৰ বাবে মন কী বাতে দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শ্ৰোতাক সামৰি লবলৈ সমৰ্থ হৈছে। সমাগত উৎসৱসমূহৰ বাবে তেওঁ দেশবাসীক শুভেচ্ছা জনায়।

০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বাছনি লাভ কৰা ২৫ হাজাৰ ২৩৮গৰাকী উদ্যোগীলৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কাইলৈ আৰম্ভ কৰা হ'ব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈ হ'বলগীয়া বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বচা বচা কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থকাৰ কথা। এই অভিযানৰ যোগেদি ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগিকীকৰণৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ যোগেদি নৱপ্ৰজন্মক স্বাৱলম্বী হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব।

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজি স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে এই পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যখনতে পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মোবাইল ইণ্টাৰনেট সেৱা কৰ্তন কৰে।

উল্লেখযোগ্য যে আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হয়। আনহাতে দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হয়। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলক প্ৰশ্নকাকতখন নিজৰ লগত আনিবলৈ দিয়া হৈছে।

আজি কৰিমগঞ্জ জিলাতো এই পৰীক্ষা নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। জিলাখনত ৯ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে এই পৰীক্ষাৰ বাবে অৱতীৰ্ণ হৈছিল।

০০০০০০

বিশ্ব জলাতংক দিৱস উপলক্ষে গোৱালপাৰা জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগে কালিৰে পৰা সপ্তাহজোৱা কাৰ্যসূচী ৰূপায়ণ কৰিছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি বিভাগৰ কাৰ্যালয়ত কুকুৰক টিকা প্ৰদান আৰু সজাগতা সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অনুজীৱ বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডাঃ দিলীপ শৰ্মা আৰু বিভাগটোৰ অধ্যাপক ডাঃ ৰাজীৱ শৰ্মা উপস্থিত থাকি ৰাইজক সজাগ কৰাৰ প্ৰয়াস কৰে।

০০০০০০

সমাপ্ত